2020

HISTORY

(Major)

Paper : 6.1

(India under the Crown)

Full Marks : 60

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions in *1* word or in *1* sentence each : 1×7=7

তলত দিয়া প্ৰশ্নসমূহৰ প্ৰতিটোৰ উত্তৰ এটা শব্দ বা এটা বাক্যত দিয়া :

(a) Who was appointed as the Viceroy of India in 1858?

১৮৫৮ চনত কাক ভাৰতৰ ভাইচৰয় হিচাপে নিযুক্তি দিয়া হৈছিল ?

(b) In which year was the census system introduced in India?

ভাৰতত লোকপিয়লৰ ব্যৱস্থা কোন চনৰ পৰা আৰম্ভ কৰা হৈছিল ?

(c) Who was the founder of the Arya Samaj?
আর্য সমাজৰ প্ৰতিষ্ঠাপক কোন আছিল ?

(d) Who is called 'lion of Punjab'?
'পাঞ্জাৰ কেশৰী' কাক কোৱা হৈছিল ?

(e) Who was the first Woman President of the Indian National Congress?
ভাৰতৰ জাতীয় কংগ্ৰেছৰ প্ৰথমগৰাকী মহিলা সভাপতি কোন আছিল ?

(f) Who first used the word Pakistan?
পাকিস্তান শব্দটো প্ৰথম কোনে ব্যৱহাৰ কৰিছিল ?

(g) When did Mahatma Gandhi launch 'Individual Satyagraha'?
'একক সত্যাগ্ৰহ'ৰ কাৰ্যসূচী মহাত্মা গান্ধীয়ে কেতিয়া ঘোষণা কৰিছিল ?

2. Answer the following questions in brief : 2×4=8
তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Mention any two important provisions of the Queen's Proclamation of 1858.
১৮৫৮ চনৰ মহাৰাণীৰ ঘোষণাপত্ৰৰ যি কোনো দুটা গুৰুত্বপূৰ্ণ চৰ্ত উল্লেখ কৰা।

(b) Who was the most important socio-religious reformer of the Muslims in the 19th Century? Mention the name of his Movement.
উনৈশ শতিকাৰ মুছলমান সমাজৰ গুৰুত্বপূৰ্ণ সমাজ-ধৰ্ম সংস্কাৰকজন কোন আছিল ? তেওঁ আৰম্ভ কৰা আন্দোলনটোৰ নাম কি আছিল ?

(c) Write the names of two agricultural movements in India with which Mahatma Gandhi was associated before the beginning of the Non-Cooperation Movement of 1920.
ভাৰতত মহাত্মা গান্ধীয়ে ১৯২০ চনৰ অসহযোগ আন্দোলনৰ আগত আৰম্ভ কৰা কৃষিকেন্দ্ৰিক আন্দোলন দুটাৰ নাম কি ?

(d) What do you mean by 'Swadeshi and Boycott'?
'স্বদেশী আৰু বয়কট' বুলি ক'লে কি বুজা ?

3. Write short notes on any *three* of the following : 5×3=15
তলত দিয়াবোৰৰ যি কোনো **তিনিটাৰ** চমু টোকা লিখা :

(a) Reorganization of the Indian Army after the Mutiny of 1857
১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পাচত ভাৰতীয় সৈন্য বাহিনীৰ পুনৰ্গঠন

(b) Theosophical Society
থিয়'ছফিকেল চ'চাইটি

(c) Partition of Bengal, 1905
বংগ বিভাজন, ১৯০৫

(d) Poona Pact, 1932
পুনা চুক্তি, ১৯৩২

(e) Quit India Movement
ভাৰত ত্যাগ আন্দোলন

4. Answer any *three* of the following questions : 10×3=30

তলৰ প্ৰশ্নবোৰৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

(a) Discuss briefly the history of the local self-government in India.

ভাৰতত স্থানীয় স্বায়ত্তশাসন বিষয়ে চমুকৈ লিখা।

(b) How did the spread of western education in India arouse the spirit of nationalism after 1858?

১৮৫৮ চনৰ পিছত ভাৰতত পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰে জাতীয়তাবাদ বিকাশত কেনেকৈ অৰিহণা যোগাইছিল ?

(c) Discuss the role of Indian National Congress from 1885 to 1905 in the National Movement of India.

ভাৰতীয় জাতীয় আন্দোলনত ১৮৮৫ৰ পৰা ১৯০৫ চনলৈ ভাৰতৰ জাতীয় কংগ্ৰেছৰ ভূমিকা আলোচনা কৰা।

(d) Make a critical assessment of the Non-Cooperation Movement.

অসহযোগ আন্দোলনৰ এটা সমালোচনামূলক আলোচনা আগবঢ়োৱা।

(e) Explain briefly how communal politics led to the partition of India.

সাম্প্ৰদায়িক ৰাজনীতিয়ে কেনেকৈ ভাৰত বিভাজন আনিছিল, চমুকৈ ব্যাখ্যা কৰা।

(f) Discuss the role played by women in the Freedom Struggle of India.

ভাৰতৰ স্বাধীনতা আন্দোলনত মহিলাসকলৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

★★★

2020

HISTORY

(Major)

Paper : 6.2

(History of Assam 1826–1947)

Full Marks : 60

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions in *1* word or in *1* sentence each : 1×7=7

তলত দিয়া প্ৰশ্নসমূহৰ প্ৰতিটোৰ উত্তৰ এটা শব্দ *বা* এটা বাক্যত দিয়া :

(a) Who was Teerut Singh?
টিৰৎ সিংহ কোন আছিল ?

(b) What is Ga-mati?
গা-মাটি কি ?

(c) Name the British Commissioner of Assam during whose commissionership Purandar Simha's kingdom was annexed to the British territory.
অসমৰ যিজন বৃটিছ কমিছনাৰৰ কাৰ্যকালত পুৰন্দৰ সিংহৰ ৰাজ্য বৃটিছ অঞ্চলত চামিল কৰা হৈছিল, তেওঁৰ নাম লিখা।

(d) What is Raij-Mel?
ৰাইজ-মেল কি ?

(e) Name the first literary association of the Assamese which was formed at Calcutta in 1872.
১৮৭২ চনত কলিকতাত স্থাপিত হোৱা অসমীয়াসকলৰ প্ৰথম সাহিত্যিক সংগঠনটোৰ নাম লিখা।

(f) In which year was the Assam Railway Company formed in London?
কোন চনত লণ্ডনত আসাম ৰেইলৱে কোম্পানী স্থাপিত হৈছিল?

(g) Who presided over the 41st session of Indian National Congress at Pandu in 1926?
১৯২৬ চনত পাণ্ডুত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪১তম অধিবেশনখনত কোনে সভাপতিত্ব কৰিছিল?

2. Answer the following questions in brief : 2×4=8
তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ লিখা :

(a) When was the Assam Oil Company established? Where was its first headquarters?
অসম তেল কোম্পানী কেতিয়া গঠন হৈছিল? ইয়াৰ প্ৰথম মুখ্য কাৰ্যালয় ক'ত অৱস্থিত আছিল?

(b) Mention two causes of the early anti-British uprisings in Assam in the early part of the nineteenth century.
ঊনৈশ শতিকাৰ প্ৰথম ভাগত অসমত সংঘটিত প্ৰাৰম্ভিক বৃটিছ বিৰোধী বিদ্ৰোহৰ দুটা কাৰণ উল্লেখ কৰা।

(c) When and where was the first session of Assam Chatra Sanmilan held?
ক'ত আৰু কেতিয়া অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশন অনুষ্ঠিত হৈছিল?

(d) Name two Assamese of the 19th century who advocated for women education in Assam.
অসমত স্ত্ৰী শিক্ষাৰ বাবে মাত মতা ঊনবিংশ শতিকাৰ দুগৰাকী অসমীয়াৰ নাম লিখা।

3. Write short notes on any *three* of the following : 5×3=15
তলত দিয়া যি কোনো তিনিটাৰ ওপৰত চমু টোকা লিখা :

(a) Annexation of upper Assam by the British
বৃটিছসকলৰ ঊজনি অসম অধিগ্ৰহণ

(b) Gobinda Chandra
গোবিন্দ চন্দ্ৰ

(c) *Orunodoi*
অৰুণোদয়

(d) Swaraj Party in Assam
অসমত স্বৰাজ দল

(e) Cunningham Circular
কানিংহাম চাৰ্কুলাৰ

4. Answer any *three* of the following questions : 10×3=30
তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) "Despite his good intentions, Scott was unable to achieve what he desired."
In the light of the above statement, evaluate the administrative reforms of David Scott.
"সু-মনোভাৱ স্বত্ত্বেও স্কটে তেওঁৰ ইপ্সিত লক্ষ্যত উপনীত হ'ব পৰা নাছিল।"
ওপৰোক্ত কথাফাঁকিৰ পোহৰত ডেভিদ স্কটৰ প্ৰশাসনীয় সংস্কাৰৰ মূল্যায়ন কৰা।

(b) Examine the economic and social impacts of industrialization in Assam.

অসমত উদ্যোগীকৰণৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰভাৱ পৰীক্ষা কৰা।

(c) What was the repercussion of the Revolt of 1857 in Assam? Discuss.

১৮৫৭ চনৰ বিদ্রোহৰ প্রভাৱ অসমত কেনে আছিল, আলোচনা কৰা।

(d) Critically analyze the role played by different socio-economic and literary organizations in the growth of political consciousness in Assam in the late 19th century.

উনৈশ শতিকাৰ শেষত অসমত ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰাত আৰ্থ-সামাজিক আৰু সাহিত্যিক সংগঠনসমূহৰ ভূমিকাৰ এক সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

(e) What was grouping plan? What was its impact in Assam?

গ্রুপিং প্লেন কি আছিল ? অসমত ইয়াৰ প্রভাৱ কি আছিল ?

(f) Critically analyze Assam's participation in the Swadeshi and Non-Cooperation Movements.

স্বদেশী আৰু অসহযোগ আন্দোলনত অসমৰ অংশগ্রহণৰ বিষয়ে এটি সমালোচনামূলক বিশ্লেষণ আগবঢ়োৱা।

★★★

2020

HISTORY

(Major)

Paper : 6.3

[History of Europe (1871–1945)]

Full Marks : 60

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions in *1* word *or* in *1* sentence each : 1×7=7

তলত দিয়া প্ৰশ্নবোৰৰ প্ৰতিটোৰ উত্তৰ এটা শব্দ *বা* এটা বাক্যত লিখা :

(a) Who was the first President of the Third French Republic?

তৃতীয় ফৰাচী গণৰাজ্যৰ প্ৰথম সভাপতি কোন আছিল ?

(b) Who was Emile Zola?

এমাইল জোলা কোন আছিল ?

(c) Name the signatories of the Triple Alliance.

ত্ৰিমৈত্ৰী সন্ধিৰ স্বাক্ষৰকাৰীসকলৰ নাম লিখা।

(d) Who wrote *Mein Kampf*?

'মেইন কেম্ফ' কোনে লিখিছিল ?

(e) Who was known as the 'honest broker' in the Congress of Berlin in 1878?

১৮৭৮ চনৰ বাৰ্লিন কংগ্ৰেছত 'অনেষ্ট ব্ৰকাৰ' নামে খ্যাত ব্যক্তিজন কোন ?

(f) Who declared himself to be 'the prisoner in the Vatican'?

কোনে নিজকে 'ভেটিকানৰ বন্দী' বুলি ঘোষণা কৰিছিল ?

(g) Who was the founder of the Fascist Party in Italy?

ইটালিত ফেচিষ্ট দলৰ প্ৰতিষ্ঠাপক কোন আছিল ?

2. Answer the following in brief : 2×4=8

নিম্নলিখিত প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Who were Depretis and Crispi?

ডিপ্ৰিটিছ আৰু ক্ৰিচ্‌পি কোন আছিল ?

(b) Write two provisions of the 'Algeciras Conference'.

'Algeciras সম্মিলন'ৰ দুটা দফা লিখা।

(c) What were the two important objectives of the League of Nations?

জাতিসংঘৰ দুটা গুৰুত্বপূৰ্ণ উদ্দেশ্য কি কি ?

(d) Name the two leaders of the Bolshevik Revolution in Russia.

ৰুচিয়াৰ বলছেভিক বিপ্লৱৰ দুজন নেতাৰ নাম লিখা।

3. Write short notes on (any *three*) : 5×3=15

চমু টোকা লিখা (যি কোনো তিনিটা) :

(a) Boulangist Movement

বুলাংগিষ্ট আন্দোলন

(b) Treaty of Lausanne

লচেনৰ চুক্তি

(c) Rome-Berlin-Tokyo Axis Power

ৰোম-বাৰ্লিন-ট'কিঅ' অক্ষ শক্তি

(d) Locarno Pact

লকাৰ্ন' চুক্তি

(e) Benito Mussolini

বেনিটো মুছোলিনি

4. Answer any *three* of the following questions : 10×3=30

নিম্নলিখিত প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Critically analyze the internal policy of Bismarck.

বিচমাৰ্কৰ আভ্যন্তৰীণ নীতিৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

(b) Under what circumstances did Russia sign the 'Non-Aggression Pact' with Germany in 1939?

কি ঘটনা প্ৰবাহৰ মাজেৰে ৰুচিয়াই জাৰ্মানীৰ লগত ১৯৩৯ চনত 'অনাক্ৰমণাত্মক চুক্তি' চহী কৰিছিল ?

(c) Account for the rise of Fascism in Italy in the post-World War I period.

প্রথম বিশ্বযুদ্ধৰ পৰৱৰ্তী কালত ইটালিত ফেচিজমৰ উত্থানৰ কাৰণ পৰ্যালোচনা কৰা।

(d) Account for the success of Bolshevik Revolution in Russia in 1917.

১৯১৭ চনৰ ৰুচিয়াৰ বলছেভিক বিপ্লৱৰ সফলতাৰ পৰ্যালোচনা কৰা।

(e) "Berlin Congress created more problems than it solved." Justify the statement.

"বার্লিন কংগ্রেছে সমস্যা সমাধান কৰাতকৈ অধিক সমস্যাৰহে সৃষ্টি কৰিছিল।" উক্তিটোৰ যথার্থতা প্রমাণ কৰা।

(f) Examine the role of United States of America in the Second World War.

দ্বিতীয় বিশ্বযুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূমিকা পৰ্যালোচনা কৰা।

★★★

2020

HISTORY

(Major)

Paper : 6.4

(World since 1945)

Full Marks : 60

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions in *1* word *or* in *1* sentence each : 1×7=7

তলত দিয়া প্ৰশ্নসমূহৰ প্ৰতিটোৰ উত্তৰ এটা শব্দ বা এটা বাক্যত দিয়া :

(a) In which year was the UNO established?

কোনটো বছৰত সম্মিলিত ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠা হৈছিল ?

(b) Who first coined the term 'Cold War'?

'Cold War' শব্দটো কোনে প্ৰথমে ব্যৱহাৰ কৰিছিল ?

(c) How many languages are recognized by the UNO?

সম্মিলিত ৰাষ্ট্ৰসংঘৰ স্বীকৃত ভাষা কিমানটা ?

(d) Who headed the Government of People's Democratic Republic of Korea?

'পিপোলচ্ ডেম'ক্রেটিক বিপাব্লিক নামৰ কোৰিয়াৰ চৰকাৰখনৰ নেতৃত্ব কোনে বহন কৰিছিল ?

(e) Where is the Headquarters of NATO situated?

উত্তৰ আটলাণ্টিক মৈত্ৰী সংঘ বা নেটোৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত ?

(f) What is the most popular metal of Ghana?

ঘানাৰ অতি জনপ্ৰিয় ধাতুবিধ কি ?

(g) Which region has been the main bone of contention between Arab and Israel?

প্ৰধানকৈ কোনটো অঞ্চলৰ কাৰণে আৰব আৰু ইজৰাইলৰ মাজত সংঘাত হৈছিল ?

2. Answer the following questions in brief : 2×4=8

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Write two aims of the Marshall Plan.

মাৰ্শাল আঁচনিৰ দুটা লক্ষ্য লিখা।

(b) Name the chief organs of the United Nations.

ৰাষ্ট্ৰসংঘৰ প্ৰধান অংগবোৰৰ নাম লিখা।

(c) Name the two currencies that were introduced in West Germany and East Germany by the Allied Control Council and Soviet Union respectively.

পশ্চিম জাৰ্মানী আৰু পূৱ জাৰ্মানীত Allied Control Council আৰু ছ'ভিয়েট বাহিয়াই যথাক্ৰমে প্ৰৱৰ্তন কৰা মুদ্ৰা দুটাৰ নাম লিখা।

(d) What was Non-Aligned Movement?

গোষ্ঠী নিৰপেক্ষ আন্দোলন কি আছিল ?

3. Write short notes on any *three* of the following : 5×3=15

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ চমু টোকা লিখা :

(a) Warsaw Pact/ৱাৰ্ছ চুক্তি

(b) Truman Doctrine/ট্ৰুম্যান ডক্ট্ৰীন

(c) Mikhail Gorbachev/মিখাইল গোৰ্বাচেভ

(d) Mao Tse-tung/মাও চে-টুঙ

(e) Suez Crisis of 1956/১৯৫৬ৰ ছুয়েজ সংকট

4. Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

(a) "The UNO is the League of Nations in a new guise." Do you agree? Give reason.

"সম্মিলিত ৰাষ্ট্ৰসংঘক জাতিসংঘৰ এটি নতুন ৰূপ বুলিব পাৰি।" কথাষাৰ তুমি সমৰ্থন কৰানে ? যুক্তি দৰ্শোৱা।

(b) After 1960 the Cold War took a new turn. Discuss.

১৯৬০ৰ পিছত শীতল যুদ্ধই এক নতুন ৰূপ লয়। আলোচনা কৰা।

(c) Write a critical note on the Korean War.

কোৰিয়াৰ যুদ্ধৰ ওপৰত এটি সমালোচনাত্মক টোকা লিখা।

(d) Discuss the events leading to the erection of Berlin Wall.

বার্লিন ৱাল নির্মাণৰ বাবে দায়ী ঘটনাসমূহৰ বিষয়ে আলোচনা কৰা।

(e) Discuss the Vietnam Conflict in the context of the Cold War.

শীতল যুদ্ধৰ প্ৰসঙ্গত ভিয়েটনাম সংঘাতৰ বিষয়ে আলোচনা কৰা।

(f) Discuss the growth of nationalism in Africa.

আফ্ৰিকাত জাতীয়তাবাদৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

(g) Give a critical assessment on the Arab-Israel Conflict.

আৰব-ইজৰাইল সংঘাতৰ এটি সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

★★★

2020

HISTORY

(General)

Paper : 6.1

[History of India (1857–1947)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions in *one* word or in *one* sentence each : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ এটা শব্দ বা এটা বাক্যত দিয়া :

(a) Name the last Mughal Emperor of India.

ভাৰতৰ শেষৰজন মোগল সম্ৰাটৰ নাম লিখা।

(b) Name the Viceroy who passed the Vernacular Press Act.

ভার্নেকুলাৰ প্ৰেছ আইন প্ৰণয়ন কৰা ভাইচৰয়জনৰ নাম লিখা।

(c) Who was the first woman President of the Indian National Congress?

ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভাপতি কোন আছিল ?

(d) Who established the Brahmo Samaj?

ব্ৰাহ্ম সমাজ কোনে স্থাপন কৰিছিল ?

(e) Who was the author of *Neel Darpan* ?

'নীল দৰ্পণ' গ্ৰন্থখনৰ লিখক কোন আছিল ?

(f) When did Gandhi come back to India from South Africa?

কোন চনত গান্ধী দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ ঘূৰি আহিছিল ?

(g) Where was the foundation of Ghadar Party laid?

গডৰ পাৰ্টি নামৰ সংগঠনটি ক'ত গঠন কৰা হৈছিল ?

(Continued)

(h) In which annual session of the Indian National Congress was the resolution of 'Purna Swaraj' (Complete Independence) passed?

ভাৰতীয় জাতীয় কংগ্ৰেছৰ কোনখন বাৰ্ষিক অধিবেশনত 'পূৰ্ণ স্বৰাজ'ৰ প্ৰস্তাৱ গৃহীত হৈছিল ?

(i) Write any one provision of the Morley-Minto Reforms of 1909.

১৯০৯ চনৰ ম'ৰলে-মিণ্টো সংস্কাৰৰ যি কোনো এটা দফা লিখা।

(j) Name any one newspaper of colonial India.

ঔপনিবেশিক ভাৰতবৰ্ষৰ যি কোনো এখন বাতৰি-কাকতৰ নাম লিখা।

2. Answer the following in short : 2×5=10

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) Why was Bengal partitioned in 1905?

১৯০৫ চনত বংগ বিভাজন কিয় কৰা হৈছিল ?

(b) Write any two objectives of Home Rule Movement.

হোমৰুল আন্দোলনৰ যি কোনো দুটা উদ্দেশ্য লিখা।

(Turn Over)

(c) Who was Manabendra Nath Roy?

মানবেন্দ্রনাথ ৰয় কোন আছিল ?

(d) Mention two contributions of Ishwar Chandra Vidyasagar.

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ দুটা অৰিহণা উল্লেখ কৰা।

(e) Write the names of the members of the Cabinet Mission.

কেবিনেট মিচনৰ সদস্যসকলৰ নাম লিখা।

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** ওপৰত চমু টোকা লিখা :

(a) Doctrine of Lapse

স্বত্ববিলোপ নীতি

(b) Ilbert Bill

ইলবার্ট বিল

(c) Lord Curzon

লর্ড কার্জন

(d) Swadeshi Movement

স্বদেশী আন্দোলন

(e) Safety Valve Theory

নিৰাপদ সুৰঙা সূত্ৰ

(f) Champaran Peasant Revolt

চম্পাৰণ কৃষক বিদ্রোহ

(g) The Government of India Act, 1919

১৯১৯ চনৰ ভাৰত শাসন বিধি

(h) Congress Socialist Party

কংগ্রেছ সমাজবাদী দল

4. Answer any *four* of the following : 10×4=40

তলৰ যি কোনো **চাৰিটাৰ** উত্তৰ দিয়া :

(a) Discuss the causes for the split of the Indian National Congress in 1907.

১৯০৭ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ বিভাজনৰ কাৰণসমূহ আলোচনা কৰা।

(b) Discuss the role of Sir Syed Ahmed Khan in reforming the society and economy of the Indian Muslims of the 19th Century.

১৯ শতিকাত ভাৰতীয় মুছলমানসকলৰ সমাজ আৰু অৰ্থনীতিলৈ সংস্কাৰ অনাৰ বেলিকা চাৰ চৈয়দ আহমদ খানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(c) Discuss the factors that led to the growth of nationalism in India.

ভাৰতবৰ্ষত জাতীয়তাবাদৰ বিকাশৰ কাৰণসমূহ আলোচনা কৰা।

(d) Discuss the strategies of Gandhi towards Independence of India.

ভাৰতৰ স্বাধীনতাৰ বাবে গান্ধীয়ে অৱলম্বন কৰা কৌশলসমূহৰ বিষয়ে আলোচনা কৰা।

(e) What led Gandhiji to start Non-Cooperation Movement in 1921? Why did he stop it in 1922? Mention the significance of this Non-Cooperation Movement.

গান্ধীজীয়ে ১৯২১ চনত কিয় অসহযোগ আন্দোলন আৰম্ভ কৰিছিল আৰু হঠাৎ ১৯২২ চনত ইয়াক বন্ধ কৰাৰ কাৰণ কি? এই অসহযোগ আন্দোলনৰ বৈশিষ্ট্য উল্লেখ কৰা।

(f) Discuss the role played by Subhas Chandra Bose in India's Freedom Struggle.

ভাৰতৰ স্বাধীনতা সংগ্ৰামত সুভাষ চন্দ্ৰ বসুৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

★★★

2020

HISTORY

(General)

Paper : 6.2

(History of Assam : 1826–1947)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions in *1* word or in *1* sentence each : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ প্ৰতিটোৰ উত্তৰ *এটা* শব্দ বা *এটা* বাক্যত লিখা :

(a) In which year was the first Anglo-Burmese War take place?

কোন চনত প্ৰথম ইংগ-বাৰ্মা যুদ্ধ সংঘটিত হৈছিল ?

(b) Name the first British Commissioner of Assam.

অসমৰ প্ৰথম বৃটিছ মুখ্য আয়ুক্তজনৰ নাম লিখা।

(c) Name the Khasi Chief who revolted against the British.

বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰা খাচী প্ৰধানজনৰ নাম লিখা।

(d) Name the Assamese patriot hanged along with Maniram Dewan.

মণিৰাম দেৱানৰ লগত ফাঁচী দিয়া অসমীয়া দেশপ্ৰেমিকজনৰ নাম লিখা।

(e) In which year was the Lusai Hills annexed to the British empire?

কোন চনত লুচাই পাহাৰ বৃটিছে অধিগ্ৰহণ কৰিছিল?

(f) Name the author of *Hemkosh*.

'হেমকোষ'ৰ প্ৰণেতাজনৰ নাম লিখা।

(g) Who was T. C. Robertson?

T. C. Robertson কোন আছিল?

(h) Who established the Asamiya Sangrakshini Sabha?

কোনে অসমীয়া সংৰক্ষিণী সভা প্ৰতিষ্ঠা কৰিছিল?

(i) Name the President of the Indian National Congress Session at Pandu in 1926 CE.

ভাৰতৰ জাতীয় কংগ্ৰেছৰ ১৯২৬ চনৰ পাণ্ডু অধিবেশনৰ সভাপতিজনৰ নাম লিখা।

(j) Who was Tikendrajit?

টিকেন্দ্ৰজিৎ কোন আছিল?

2. Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Mention two taxes introduced by the British in Assam after 1858.

১৮৫৮ চনৰ পিছত বৃটিছ চৰকাৰে অসমত প্ৰবৰ্তন কৰা দুবিধ কৰৰ উল্লেখ কৰা।

(b) Name two leaders of Assam Association.

অসম এচোচিয়েচনৰ দুজন নেতাৰ নাম লিখা।

(c) Name the first Assamese monthly magazine. Who was its editor?

প্ৰথম অসমীয়া মাহেকীয়া আলোচনীখনৰ নাম লিখা। ইয়াৰ সম্পাদক কোন আছিল ?

(d) Name two books written by Lakshminath Bezbarua.

লক্ষ্মীনাথ বেজবৰুৱাই লিখা দুখন কিতাপৰ নাম লিখা।

(e) Name two leaders of the Swaraj Party in Assam.

অসমৰ স্বৰাজ দলৰ দুজন নেতাৰ নাম লিখা।

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়া যি কোনো **চাৰিটাৰ** চমু টোকা লিখা :

(a) The Treaty of Yandaboo

ইয়াণ্ডাবু সন্ধি

(b) David Scott

ডেভিদ স্কট

(Continued)

(c) British annexation of Cachar

বৃটিছসকলৰ কাচাৰ অধিগ্ৰহণ

(d) Participation of Assamese Women in the Freedom Movement of India

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ মহিলাৰ যোগদান

(e) Tirot Singh

টিৰট সিং

(f) The Assam Chatra Sanmilan

অসম ছাত্ৰ সন্মিলন

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো **চাৰিটাৰ** উত্তৰ লিখা :

(a) Give an account of the administrative system introduced by Major Jenkins.

মেজৰ জেনকিন্সে প্ৰৱৰ্তন কৰা প্ৰশাসনীয় ব্যৱস্থা সম্পৰ্কে এটি বৰ্ণনা দিয়া।

(b) Discuss briefly the annexation of the Khasi Hills by the British.

বৃটিছৰ খচীয়া পাহাৰ অধিগ্ৰহণৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(Turn Over)

(c) Discuss the impact of the Partition of Bengal on the People of Assam.

অসমৰ জনসাধাৰণৰ ওপৰত বংগ-ভংগৰ প্ৰভাব সম্পৰ্কে আলোচনা কৰা।

(d) Discuss the growth of the Political Associations in Assam in the late nineteenth and early part of the twentieth centuries of Assam.

ঊনবিংশ শতিকাৰ শেষাৰ্ধত আৰু বিংশ শতিকাৰ প্ৰথম ভাগত অসমত বিকাশ লাভ কৰা ৰাজনৈতিক সংগঠনসমূহৰ বিষয়ে আলোচনা কৰা।

(e) Discuss the circumstances leading to the advent of the British East India Company in Assam in 1826 CE.

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৮২৬ চনত অসম আগমনৰ ঘটনাৱলী আলোচনা কৰা।

(f) Give an account of Purandar Singha as ruler. Why was his territory taken back by the British?

শাসক হিচাপে পুৰন্দৰ সিংহৰ এটি বৰ্ণনা দিয়া। তেওঁৰ ৰাজ্য বৃটিছসকলে কিয় ঘূৰাই লৈছিল?

(Continued)

(g) What was the contribution of the British administration to the Education System of Assam?

অসমৰ শিক্ষা ব্যৱস্থালৈ বৃটিছ শাসনব্যৱস্থাৰ অৱদান কি আছিল?

(h) Discuss the tribal awakening in Assam in the twentieth century.

বিংশ শতিকাত অসমৰ জনজাতীয় জাগৰণৰ বিষয়ে আলোচনা কৰা।

★★★